# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰেমল ঘূৰ্ণী বতাহজাকে কালি নিশা চাৰে ১০ বজাৰ পৰা চাৰে ১২ বজাৰ ভিতৰত সমুদ্ৰ পাৰত খুন্দা মাৰে।

২। ৰেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱ অসমৰ কিছু অংশত পৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

৩। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে।

৪। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জনসাধাৰণে এখন নতুন ভাৰতৰ উত্থানৰ সাক্ষী হৈছে।

*আৰু*

৫। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কালি কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইৰ্জাছ হায়দৰাবাদক ৮ উইকেটত পৰাস্ত কৰে।

ooooo

ৰেমল ঘূৰ্ণী বতাহজাকে কালি নিশা চাৰে ১০ বজাৰ পৰা চাৰে ১২ বজাৰ ভিতৰত সমুদ্ৰ পাৰত খুন্দা মাৰে। আলিপুৰ ক্ষেত্ৰ ঘূৰ্ণী বতাহ সতৰ্ক কেন্দ্ৰৰ মুৰব্বী হাবিবুৰ ৰহমান বিশ্বাসে এই কথা প্ৰকাশ কৰিছে। এই ঘূৰ্ণী বতাহজাক আৰু কিছু সময়লৈ উত্তৰ দিশলৈ গতি কৰিব আৰু ইয়াৰ পাছত উত্তৰ-উত্তৰ-পূব দিশলৈ গতি কৰি লাহে লাহে ইয়াৰ প্ৰকোপ সাম কাটিব। কালি নিশা প্ৰায় চাৰে ৮ বজাত প্ৰতিঘণ্টাত ১১০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে ঘূৰ্ণী বতাহজাক বাংলাদেশৰ খেপোপাৰা আৰু পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জত প্ৰৱেশ কৰে। ঘূৰ্ণী বতাহৰ ফলত কলকাতাকে ধৰি দক্ষিণ বংগৰ সকলো জিলাতে ধুমুহা আৰু প্ৰবল বৃষ্টিপাতৰ বাতৰি পোৱা গৈছে। কলকাতাৰ বিভিন্ন স্থানত গছ-গছনি উভালি পৰাৰ লগতে বহুকেইটা পথ পানীৰে বুৰাই পেলাইছে। এণ্টেলি এলেকাৰ বিবি বাগান পথত এটা ঘৰৰ কিছু অংশ খহি পৰাৰ ফলত এজন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। আনহাতে বৰুণহাট আৰু পৰহাছনাবাদ নদীবান্ধত ফাট মেলাৰো বাতৰি পোৱা গৈছে। উত্তৰ পৰগানাৰ হাছনাবাদ আৰু হিংগালগঞ্জকে ধৰি এটা বৃহৎ এলেকাত প্ৰবল বৰষুণ হোৱাৰ লগতে দক্ষিণ পৰগানাৰ সাগৰ, নামখানা, কাকদীপ, পাথৰপ্ৰতীমা, গোছাবা আদি অঞ্চলত বহু সংখ্যক গছ উঘালি পৰাৰ লগতে কেইবাটাও পথ বন্ধ হৈ পৰিছে। বতৰ বিজ্ঞান বিভাগে আজি বিয়লি পৰ্যন্ত বৰষুণ অব্যাহত থাকিব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে।

ইপিনে, কোলকাতা বিমান বন্দৰ কৰ্তৃপক্ষই ঘূৰ্ণী বতাহজাকৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি কালি দুপৰীয়াৰ পৰা ২১ ঘণ্টাৰ বাবে বিমানৰ চলাচল বন্ধ ৰাখিছে। ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ মুখপাত্ৰই

প্ৰকাশ কৰা মতে, এই সময়ছোৱাত বন্দৰটোৰ পৰা অহা যোৱা কৰা ৩৯৪ খন ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বন্ধ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত ৰেমল ঘূৰ্ণী বতাহৰ বাবে প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সমিতিয়ে পশ্চিমবংগ চৰকাৰৰ সৈতে নিয়মীয়াকৈ যোগাযোগ ৰাখিছে বুলি প্ৰধানমন্ত্ৰীক অৱগত কৰা হয়। মাছমৰীয়াসকলক দক্ষিণ বংগোপ সাগৰ আৰু আন্দামান সাগৰলৈ নাযাবলৈ সতৰ্ক কৰি দিয়াৰ লগতে প্ৰায় ১ লাখ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হয়। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগ চৰকাৰলৈ সকলো ধৰণৰ সহযোগ আগবঢ়াইছে। তেওঁ লগতে কয় যে, গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে  পৰিস্থিতি নিৰীক্ষণ কৰিব আৰু এই ঘূৰ্ণী বতাহে সাগৰ তীৰত খুন্দা মৰাৰ পাছতেই যাৱতীয় সাহায্যৰ বাবে পৰিস্থিতি পৰ্যালোচনা কৰিব। শ্ৰীমোদীয়ে লগতে পশ্চিমবংগত ইতিমধ্যে নিয়োগ কৰা এন ডি আৰ এফৰ ১২টা দল তথা ওড়িশাৰ এটা দলৰ উপৰিও আৰু বহু কেইটা দল সাজু কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

ৰেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱ অসমৰ কিছু অংশত পৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলসমূহ সম্পূৰ্ণৰূপে সাজু হৈ থকাৰ লগতে নিয়ন্ত্ৰণ কক্ষসমূহো কাৰ্যক্ষম কৰি ৰখা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি আৰু কাইলৈ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত প্ৰবল বৃষ্টিপাতৰ আগলি বতৰা দিছে। ধুবুৰী, দক্ষিণ শালমৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলঙত অৰেঞ্জ এলাৰ্ট জাৰি কৰাৰ বিপৰীতে চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা হাচাও, কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰা হৈছে।

০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতাসকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰেলী, ৰোড শ্ব' আদিকে ধৰি বিভিন্ন ধৰণে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত দেশৰ ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কালি উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ, মৌ আৰু বক্স গাঁৱত কেইবাখনো জনসভাত অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে কয় যে, ভাল উদ্দেশ্যে আৰু নীতিসমূহৰ বাবে দেশে তৃতীয়বাৰৰ বাবে বিজেপি-এন ডি এ চৰকাৰ গঠন কৰাৰ সিদ্ধান্ত লৈছে। আনহাতে সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে চালেমপুৰ আৰু বল্লিয়াত জনসভা সম্বোধন কৰি কয় যে, বৰ্তমান সময়ত মূল্য বৃদ্ধি আৰু নিবনুৱা সমস্যাৰ বাবে জনসাধাৰণ হতাশ হৈ পৰিছে।

০০০০০

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জনসাধাৰণে এখন নতুন ভাৰতৰ উত্থানৰ সাক্ষী হৈছে। তেওঁ লগতে ভাৰত বৰ্তমান এটা মুখ্য শক্তি হোৱাৰ দিশত আগবাঢ়িছে বুলিও উল্লেখ কৰে। মিৰ্জাপুৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী অনুপ্ৰিয়া পেটেল আৰু ৰবাৰ্টগঞ্জ সংসদীয় সমষ্টিৰ প্ৰাৰ্থী ৰিংকি কোলৰ সমৰ্থনত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিজেপি নেতাগৰাকীয়ে

কয় যে, বিগত ১০ বছৰত ভাৰতে ইয়াৰ সীমান্ত অঞ্চলসমূহ সুৰক্ষিত কৰি তুলিছে আৰু উন্নয়নৰ নতুন মাইলৰ খুঁটি স্থাপন কৰিছে। সবকা সাথ, সবকা বিকাশ মূল মন্ত্ৰেৰে দৰিদ্ৰ লোকসকলৰ বাবে কল্যাণমূলক আঁচনি ৰূপায়ণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শ্ৰীমোদীয়ে ১৪০ কোটি ভাৰতীয়ক নিজৰ পৰিয়ালৰ দৰে ভাবে আৰু প্ৰতিজন নাগৰিকৰ জীৱন সমৃদ্ধিশালী কৰি তোলাৰ বাবে চেষ্টা কৰিছে। আনহাতে মিৰ্জাপুৰ এলেকাৰ উন্নয়নৰ সন্দৰ্ভত শ্ৰীআদিত্য নাথে কয় যে, মিৰ্জাপুৰ আৰু ছোনভদ্ৰাত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ লগতে এই খণ্ডত অতি সোনকালেই এখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। বাৰাণসীৰ কাশী বিশ্বনাথ মন্দিৰ কৰিডৰৰ পুনৰ উন্নয়ন সন্দৰ্ভত যোগী আদিত্য নাথে কয় যে, এই স্থান বৰ্তমান সমগ্ৰ বিশ্বৰ আকৰ্ষণৰ স্থলী হৈ পৰিছে। তেওঁ লগতে ৫০০ বছৰৰ পাছত ভগৱান ৰামক অযোধ্যাৰ মন্দিৰত প্ৰতিষ্ঠা কৰা হয় আৰু এতিয়া বিন্ধ্যাবাসিনী ধাম কৰিডৰ প্ৰকল্প সম্পূৰ্ণ হ'বলৈ গৈ আছে বুলি মন্তব্য কৰে।

০০০০০

আয়ুষ মন্ত্ৰালয়ে নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠানত আজি সাধাৰণ বীমা কোম্পানী আৰু আয়ুষ হাস্পতালৰ স্বত্বাধিকাৰীসকলৰ বাবে এলানি সংবেদনশীলতা কাৰ্যসূচীৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰে যে এই কাৰ্যসূচীয়ে জনসাধাৰণৰ বাবে আয়ুষ চিকিৎসা সহজলভ্য আৰু ব্যয়ৰ ক্ষেত্ৰত সমৰ্থ বৃদ্ধি কৰাই নহয়, বৰঞ্চ সমগ্ৰ দেশতে বীমাৰ জৰিয়তে এই চিকিৎসাৰ সুবিধা ৰাজহুৱা আৰু ব্যক্তিগত আয়ুষ হাস্পতালসমূহতো প্ৰদান কৰিছে। এই কাৰ্যসূচীত স্বাস্থ্য বীমা আঁচনিসমূহত আয়ুষ চিকিৎসাৰ ক্ষেত্ৰত প্ৰয়োজনীয় কিছু নীতিৰ বিষয়ে আলোচনা কৰা হ'ব। লগতে আয়ুস চিকিৎসাৰ প্ৰত্যাহ্বান আৰু সুযোগ দুয়োটাৰে মোকাবিলা কৰিবলৈ অংশীদাৰসকলৰ মাজত আলোচনাৰ সুবিধাও প্ৰদান কৰা হ'ব। আলোচনাৰ আন আন বিষয়সমূহ হ'ল আয়ুষ খণ্ডত বীমাৰ অন্তৰ্ভুক্তি, বীমা খণ্ডৰ বাবে চিকিৎসাৰ নিৰ্দেশনা প্ৰদান, বীমা খণ্ডত আয়ুসৰ ব্যৱহাৰ, আয়ুষ হাস্পতালৰ কৰণীয়, সৰ্বভাৰতীয় আয়ুৰ্বদিক প্ৰতিষ্ঠানৰ সফলতা ইত্যাদি।

০০০০০

নেপালৰ কংগ্ৰেছ দলে গৃহমন্ত্ৰী ৰবি লামিচানেৰ তদন্তৰ দাবীৰে সংসদৰ পৰা ৰাজপথলৈ এলানি প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। সমবায় পুঁজিৰ ধন অপব্যৱহাৰত গৃহমন্ত্ৰী লমিছানে জড়িত হৈ থকাৰ অভিযোগ উত্থাপন কৰি কংগ্ৰেছে এই সন্দৰ্ভত সংসদীয় তদন্ত সমিতি গঠনৰ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে। কাঠমাণ্ডুত শতাধিক বিৰোধীয়ে সমবায়ৰ ধন আত্মসাতৰ সৈতে জড়িত ব্যক্তিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে। আনহাতে নেপালৰ কংগ্ৰেছ কৰ্মীসকলৰ লগতে শিক্ষাৰ্থী আৰু মহিলাসকলেও গৃহমন্ত্ৰীগৰাকীৰ পদত্যাগৰ দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে প্ৰতিবাদকাৰীসকলে গৃহমন্ত্ৰীগৰাকীয়ে পদত্যাগ নকৰালৈকে প্ৰতিবাদ অব্যাহত ৰখাৰ হুংকাৰ প্ৰদান কৰিছে।

০০০০০

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কালি কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইৰ্জাছ হায়দৰাবাদক ৮ উইকেটত পৰাস্ত কৰে। কলকাতাই ১১৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মাত্ৰ ১০ অভাৰ ৩টা বলতে দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত

উপনীত হয়। দলটোৰ হৈ ৰহমানুল্লা গুৰবাজে ৩৯ ৰান কৰাৰ বিপৰীতে ভেংকটেশ আয়াৰে ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে।

ইয়াৰ পূৰ্বে ছানৰাইৰ্জাছ হায়দৰাবাদে টছত জিকি প্ৰথম বেট ধৰাৰ সিদ্ধান্ত লয়। দলটোৱে ১৮ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৩ ৰান কৰে। হায়দৰাবাদৰ হৈ অধিনায়ক পেট কামিন্সে সৰ্বাধিক ২৪ ৰান কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ আন্দ্ৰে ৰাচেলে তিনিটা উইকেট দখল কৰে। মিচ্চেল ষ্টাৰ্কক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

ooooo

**সমাপ্ত**